**গড়াল ঃ-**



বনৰাজা কুকুৰাক ৰখাৰ-বাবে কম খৰচতে হোৱাকৈ বাঁহ-কাঠৰ দ্বাৰা গড়ালো বনাব লাগে। গড়ালটো বতাহ সোমাব পৰা আৰু ৰদ পৰা হ'ব লাগে আৰু গড়ালত প্ৰতিটো কুকুৰাৰ বাবে ৩ বৰ্গ ফুট জেগাৰ প্ৰয়োজন হয়। গড়াল সদায় চফা কৰি ৰাখিব লাগে আৰু বিশুদ্ধ পানীৰ যোগান ধৰিব লাগে।



**দানা ঃ**

মুকলিত চৰিবলৈ অভ্যস্থ হোৱা বনৰাজা কুকুৰাই ঘূৰি ঘূৰি নিজৰ আহাৰ বুটলি খায়। ঘৰৰ চৌহদ বা বাৰিত পোৱা সকলো ধৰণৰ ঘাঁহ-বন, শাক-পাচলি আৰু ইয়াৰ অৱশিষ্ট, ধান, চাউল, ভাত, মুকলি পথাৰত পোৱা শস্য, গোবৰ-জাবৰ খুচৰি পোৱা পোক-পৰুৱা, কেচু-কুমতি খায় ইহঁতে পেট পুৰাই। তথাপিও সিহতক প্ৰয়োজন সাপেক্ষে চাউলৰ মল, মাকৈ বা বজাৰৰ পৰা অনা ব্ৰয়লাৰ আৰু লেয়াৰ কুকুৰাৰ দানা দিলে সিহতৰ বৃদ্ধি ও উৎপাদন বাঢ়ে। মাংসৰ বাবে পালন কৰাৰ উদ্দেশ্য থাকিলে ব্ৰয়লাৰ দানা দিব লাগে। কণীৰ বাবে পালন কৰা কুকুৰাক বিচৰণ কৰিবলৈ দিয়া পথাৰত পোৱা দানাৰ ওপৰত নিৰ্ভৰ কৰি লেয়াৰ দানা দিব লাগে। বাকলি নথকা, ভঙা বা পাতল হোৱা কণী পৰাটো ৰোধ কৰিবলৈ কুকুৰা বিলাকক প্ৰতিদিনে ৩-৪ গ্ৰাম কেলচিয়াম যোগান ধৰিব লাগে। কেলচিয়ামৰ উৎস হিচাপে শামুকৰ খোলা, চুণশিলৰ গুৰি বা বজাৰত পোৱা কেলচিয়ামৰ গুৰি বা পানীয় ব্যৱহাৰ কৰিব পাৰি।



**মুকলি প্ৰথাৰে পালন কৰা বনৰাজা কুকুৰাৰ উৎপাদন সামৰ্থ -**

- ❖ ছয় সপ্তাহ বয়সত ওজন - ৫০০-৬৫০ গ্ৰাম।
- ❖ প্ৰাপ্তবয়স্ক মাইকী কুকুৰাৰ ওজন - ১৮০০-২২০০ গ্ৰাম।
- ❖ প্ৰাপ্তবয়স্ক মতা কুকুৰাৰ ওজন - ৩০০০-৫০০০ গ্ৰাম।
- ❖ কণী পৰা আৰম্ভ কৰা সময়ৰ বয়স - ১৭০-২০০ দিন।
- ❖ কণীৰ গড় ওজন - ৪৮-৫৫ গ্ৰাম।
- ❖ কণী পৰা আৰম্ভ কৰাৰ পৰা এবছৰত পৰা কণীৰ সংখ্যা - ২০০ টা।

প্ৰচাৰ পত্ৰিকা নং ঃ LF/AAU/NT/01/2014/004

# বনৰাজা

## (মাংস আৰু কণী উৎপাদনৰ বাবে ৰংগীন কুকুৰা পালন)



ডাঃ অসীম কুমাৰ শইকীয়া
ড° ৰিজুস্মিতা শৰ্মা ডেকা

কৃষি বিজ্ঞান কেন্দ্ৰ, ধেমাজি
অসম কৃষি বিশ্ববিদ্যালয়
চিলাপথাৰ

(জনজাতীয় উপ-আঁচনিৰ অধীনত কেন্দ্ৰীয় শুষ্ক ভূমি কৃষি গৱেষণা প্ৰতিষ্ঠান, ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ আৰ্থিক অনুদানত মুদ্ৰিত)

মানুহৰ খাদ্যত মাংস আৰু কণীৰ ব্যৱহাৰৰ হিচাবলৈ লক্ষ্য কৰিলে দেখা যায় গ্ৰাম্যঞ্চলৰ মানুহৰ খাদ্যত বছৰি মাত্ৰ ১৫-২০ টা মান কণী আৰু ৭৫০ গ্ৰাম মাংসহে গড়ে ব্যৱহাৰ হোৱাৰ বিপৰীতে নগৰ অঞ্চলৰ মানুহে ৮০-১২০ টা কণী আৰু ২.২৫-৩.৫০ কিলো গ্ৰামকৈ মাংস খাবলৈ পায়। আনহাতে, ভিতৰুৱ আনহাতে, ভিতৰুৱা গাঁওবিলাকত ব্ৰইলাৰ কুকুৰা পালন সহজ নহয় আৰু পালন কৰিলেও নগৰাঞ্চলতকৈ ইয়াত উৎপাদন খৰচ ১০-৪০% লৈকে অধিক হোৱা লক্ষ্য কৰা যায়। সেইদৰে গাঁওবোৰত মানুহে স্থানীয় প্ৰজাতিৰ কুকুৰা পালন কৰে যদিও এইবোৰৰ বৃদ্ধিৰ হাৰ আৰু কণী উৎপাদন ক্ষমতা ইমান সন্তোষজনক নহয়। আমাৰ দেশৰ অধিকাংশ গাঁওবাসীয়ে চাউল আৰু ঘেহুকেই মুখ্য খাদ্য ৰূপে গ্ৰহণ কৰে আৰু তাৰ দ্বাৰা শৰীৰত শক্তিৰ প্ৰয়োজনীয়তা পূৰ্ণ হয় যদিও প্ৰটিনৰ প্ৰয়োজনীয়তা সদায় অসম্পূৰ্ণ হৈয়ে ৰয়। এই প্ৰটিনৰ অভাৱৰ ফলত বিশেষকৈ গৰ্ভৱতী মহিলা, শিশুক দুগ্ধপান কৰাওঁতা মাতৃ, বাঢ়ি অহা কণ কণ শিশু হঁত বিভিন্ন ৰোগৰ চিকাৰ হ'ব লগা হয়। গাঁওবোৰত পৰ্য্যাপ্ত পৰিমাণত 'প্ৰাকৃৰিক আহাৰ' যেনে- সিচৰিত শস্য, কিট পতংগ, ঘাঁহ-বন, কেচু-কুমটি, শাক-পাচলি আদি পোৱা যায়, যাক কুকুৰাই খাদ্য হিচাপে গ্ৰহণ কৰি কণী আৰু মাংসলৈ পৰিবৰ্ত্তন ঘটাই পুনৰ মানুহৰ খাদ্যৰ উপযোগী কৰি তুলিব পাৰে। গাঁওবোৰত মুকলিকৈ স্থানীয় প্ৰজাতিৰ কুকুৰাৰ দৰে পালন কৰিব পৰাকৈ হাইদৰাবাদত থকা কুকুৰা পালন সঞ্চালকালয়ে বনৰাজা নামৰ খৰতকীয়কৈ বৃদ্ধি হ'ব পৰা আৰু উচ্চ উৎপাদন ক্ষম কুকুৰা প্ৰজাতিৰ উদ্ভাৱন কৰিছে যাক পালন কৰি গ্ৰাম্যাঞ্চলৰ মানুহৰ প্ৰটিনৰ অভাব পুৰণ কৰিব পৰা যাব। এই প্ৰজাতিৰ কুকুৰাৰ আৰ্কষণীয় লক্ষণবোৰ হৈছে -





- ❖ কুকুৰাবোৰ ৰং বিৰঙৰ পাখি অৰ্থাৎ বিভিন্ন ৰঙৰ সংমিশ্ৰণ থকা।
- ❖ থলুৱা কুকুৰাৰ দৰে ইয়াকো ঘৰৰ চৌহদত বা বাৰীত এৰি দি পালন কৰিব পাৰি।
- ❖ সোনকালে বাঢ়ে আৰু আন কুকুৰাতকৈ বেছি কণী দিয়ে।
- ❖ অতি কম পুষ্টিকৰ দানাৰ দ্বাৰাও ভাল ফল দেখুৱাই।
- ❖ থলুৱা কুকুৰাৰ দৰে বেমাৰ প্ৰতিৰোধী ক্ষমতা বেছি।
- ❖ নিজকে সহজে প্ৰতিকুল পৰিবেশৰ লগত খাপ খুৱাই লব পাৰে।

একোটা পৰিয়ালে নিজৰ বাৰীত বা ঘৰৰ চৌহদতে অতি কম খৰচতে ১০-২০ টালৈকে এনে কুকুৰা পালন কৰিব পাৰে। মাংসৰ বাবে ব্যৱসায়িক ৰূপত ব্ৰয়লাৰ পোহাৰ দৰে অধিক সংখ্যকো পালন কৰিব পাৰি।

**নাৰ্চাৰি ব্যৱস্থা ঃ**

বনৰাজা কুকুৰাক প্ৰথম ৩ সপ্তাহ বয়সলৈকে, বিশেষকৈ ঠাণ্ডা দিনত, ঘৰৰ ভিতৰত প্ৰতিপালন কৰি তাৰ পাছত মুকলিত এৰি পুহিব পাৰি। গৰমৰ দিনত এসপ্তাহ মানলৈকে এনে ব্যৱস্থা কৰিলেও হয়। এনে কৰিলে পোৱালীৰ শৰীৰৰ তাপ নিয়ন্ত্ৰিত হয় আৰু সিহঁত বাহিৰা শত্ৰু অৰ্থাৎ কাউৰী, কুকুৰ, নেউল আদিৰ পৰা ৰক্ষা পৰে। ঘৰৰ মজিয়াত ২-৩ ইঞ্চি ডাঠকৈ শুকান তুহ মেলি দি তাৰ ওপৰত বাতৰি কাকত ৰাখি পোৱালীবোৰ মেলি দিব লাগে আৰু বজাৰত পোৱা ব্ৰয়লাৰ কুকুৰাৰ দানা আৰু পানী খুৱাব লাগে। ইয়াত প্ৰয়োজনমতে বিজুলী বাল্‌ব লগাই পোহৰ আৰু তাপৰ ব্যৱস্থা কৰিব লাগে। পোৱালীৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি প্ৰতিটো পোৱালীৰ ভাগত ২ ওৱাট মান পৰাকৈ বাল্বৰ সংখ্যা নিৰ্ণয় কৰিব লাগে। পোৱালীবোৰ বিজুলীৰ উৎসৰ পৰা দূৰলৈ যাব নোৱাৰাকৈ জালি বা চিক গাৰ্ড (Chick guard) লগাই থব লাগে।

**স্বাস্থ্য ৰক্ষা ঃ**

থলুৱা কুকুৰাৰ নিচিনাকৈ বনৰাজা কুকুৰাৰো বেমাৰ প্ৰতিৰোধী ক্ষমতা যথেষ্ট ভাল। তথাপি ঘৰত থকা থলুৱা কুকুৰাবোৰৰ লগতে বনৰাজা কুকুৰাকো তলত উল্লেখ কৰা ছিটা সমূহ দিব লাগে।



**ঃ বনৰাজা কুকুৰাৰ টীকাকৰণৰ সময়সূচী ঃ**

| বয়স | বেমাৰৰ নাম | টীকাৰ নাম | টীকাৰ পৰিমান | টীকা দিয়াৰ পদ্ধতি |
|---|---|---|---|---|
| ৫-৭ দিনত | ৰাণীখেট | এফ-১ | এক ফোটা | চকুত / নাকত |
| ১৪ দিনত | গাম্বৰু | আই বি ডি | এক ফোটা | চকুত / নাকত |
| ২৮ দিনত | ৰাণীখেট | লাসোটা | — | খোৱা পানীত মিহলাই |
| ৬ সপ্তাহত | কুকুৰা বসন্ত | ফাউল পক্স | ০.২ মি.লি | ছালত বেজীৰ দ্বাৰা |
| ৮-৯ সপ্তাহত | ৰাণীখেট | আৰ ২ বি | ০.৫ মি.লি | ছালত বেজীৰ দ্বাৰা |